## পাঠ-১২

# উদ্যোগ

বনজ সম্পদ, খনিজ সম্পদ, কৃষিজাত সম্পদ আদি প্ৰাকৃতিক সম্পদৰ পৰা সাধাৰণতে আমি আমাৰ প্ৰয়োজনীয় কিছুমান সামগ্ৰী প্ৰত্যক্ষভাৱে পাওঁ। আমাৰ প্ৰয়োজনীয় আন কিছুমান সামগ্ৰী আছে যিবোৰ আমি প্ৰকৃতিৰ পৰা প্ৰত্যক্ষভাৱে নাপাওঁ। এই সামগ্ৰীবোৰ প্ৰাকৃতিক সম্পদৰ পৰা যন্ত্ৰৰ সহায়ত বিশেষ পদ্ধতি প্ৰয়োগ কৰি তৈয়াৰ কৰি লোৱা হয়। এনেদৰে সামগ্ৰী প্ৰস্তুত কৰিবৰ বাবে একো একোটা উৎপাদন কেন্দ্ৰ বা উদ্যোগ গঢ়ি উঠে। উদাহৰণস্বৰূপে, কপাহৰ পৰা সূতা তৈয়াৰ কৰি কাপোৰ, চূণশিলৰ পৰা বিলাতী মাটি, কুঁহিয়াৰৰ পৰা চেনি, বাঁহৰ পৰা কাগজ, মৰাপাটৰ পৰা কাৰ্পেট, বেগ, থৈলা আদি তৈয়াৰ কৰা উদ্যোগ।

**প্ৰকৃতিৰ পৰা পোৱা যিবোৰ সামগ্ৰী ব্যৱহাৰ কৰি আমাৰ প্ৰয়োজনীয় বস্তুবোৰ উৎপাদন কৰা হয় সেইবোৰক কেঁচা সামগ্ৰী বা কেঁচামাল বোলে।**



সাধাৰণতে কেঁচামালৰ ওপৰত ভিত্তি কৰি উদ্যোগসমূহ গঢ়ি উঠে। কেঁচামাল য'ত যেনেকৈ পোৱা যায় তাত তেনেধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰা হয়। অসম চাহ খেতিৰ বাবে বিখ্যাত। অসমৰ মাটি চাহ খেতিৰ বাবে উপযোগী। ইয়াত প্ৰচুৰ পৰিমাণে চাহ গছ হয়। সেইবাবে অসমত বহুতো চাহ উদ্যোগ গঢ়ি উঠিছে। যোৰহাট জিলাৰ টোকলাই নামৰ ঠাইত চাহৰ গৱেষণা কেন্দ্ৰ আছে। ভাৰতৰ প্ৰায় ৫০ শতাংশ চাহ অসমৰ পৰাই উৎপাদন কৰা হয়। চাহ উৎপাদনত ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰত প্ৰথম।

অসমৰ চাহপাতে আন্তৰ্জাতিক বজাৰত স্থান পাবলৈ সক্ষম হৈছে। ইয়াত উৎপন্ন হোৱা চাহপাত বিদেশলৈ ৰপ্তানি কৰি চৰকাৰে বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে।



অসমত স্থানীয় উদ্যোগবোৰত উৎপাদন কৰা সামগ্ৰীবোৰ যেনে— চাহপাত আৰু পাট - মুগাৰ কাপোৰে দেশ-বিদেশত সমাদৰ পাইছে। কিন্তু এতিয়াও ভাৰতবৰ্ষৰ আন ৰাজ্যৰ তুলনাত অসমত প্ৰয়োজন অনুসৰি বৃহৎ উদ্যোগ গঢ়ি উঠা নাই। ইয়াৰ প্ৰধান কাৰণসমূহ হ'ল উদ্যোগ এটা গঢ়ি উঠিবলৈ প্ৰয়োজন হোৱা পৰ্যাপ্ত পৰিমাণৰ মূলধন, বৃহৎ স্থানীয় বজাৰ, দক্ষ শ্ৰমিক, উন্নত যাতায়াত ব্যৱস্থা আদিৰ অভাৱ।

চৰকাৰৰ সহযোগত অসমত কিছুমান উদ্যোগ গঢ়ি উঠিছে। তলৰ তালিকাখনৰ পৰা অসমৰ বিভিন্ন জিলাত থকা কিছুমান উদ্যোগৰ নাম, তাত ব্যৱহৃত কেঁচামাল আৰু তাৰ পৰা উৎপন্ন হোৱা উৎপাদিত সামগ্ৰীবোৰৰ নাম জানি লওঁ আহা—

| কেঁচামাল | উদ্যোগ | উৎপাদিত সামগ্ৰী | ক'ত আছে |
|---|---|---|---|
| খাৰুৱা তেল | তেল উদ্যোগ | পেট্ৰ'ল, ডিজেল, কেৰাচিন, নেফথেলিন, বন্ধন গেছ | ডিগবৈ, নুমলীগড়, নুনমাটি, বঙাইগাঁও |
| প্ৰাকৃতিক গেছ | গেছ প্লাণ্ট | বন্ধন গেছ | কঠালগুৰি |
| পানী | শক্তি উদ্যোগ | বিদ্যুৎ শক্তি (জল বিদুৎ) | উমৰাংচু (কপিলী), কাৰ্বি লাংপি |
| কয়লা | শক্তি উদ্যোগ | বিদ্যুৎ শক্তি (তাপ বিদ্যুৎ) | নামৰূপ, চন্দ্ৰপুৰ, চালাকাটি |
| চূণশিল | বিলাতী মাটি | বিলাতী মাটি | বোকাজান |
| খাৰুৱা তেল | সাৰ উদ্যোগ | ৰাসায়নিক সাৰ | নামৰূপ |
| খাৰুৱা তেল | পেট্ৰ'কেমিকেলছ | প'লিয়েষ্টাৰ, পলিথিন | বঙাইগাঁও |
| বাঁহ | কাগজ উদ্যোগ | কাগজ | জাগীৰোড, পাঁচগ্ৰাম |
| মৰাপাট | মৰাপাট উদ্যোগ | থৈলা, কাৰ্পেট, বেগ, ৰছী | শিলঘাট |
| কপাহ | বস্ত্ৰ উদ্যোগ | সূতা, কপাহী কাপোৰ | চাৰিদুৱাৰ, জাগীৰোড |
| কুঁহিয়াৰ | চেনি উদ্যোগ | চেনি, গুড় | কামপুৰ, বৰুৱাবামুণ গাঁও |
| গছ-গছনি | প্লাইউদ উদ্যোগ | প্লাইউদ | তিনিচুকীয়া, মাৰ্ঘেৰিটা, মৰিয়নী |
| কয়লা | কয়লা উদ্যোগ | কয়লা | ৰাংৰিং, লিডু, লেখাপানী, বৰগোলাই, টিপাম |

➢ তোমালোকৰ অঞ্চলত থকা প্ৰাকৃতিক সম্পদসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

➢ তোমালোকৰ অঞ্চলত কি কি কেঁচামাল ব্যৱহাৰ কৰি কি কি উদ্যোগ গঢ়ি উঠিছে লিখা। (শিক্ষকে সহায় কৰিব)



**জানি লওঁ আহা—**

- ১৮২৫ চনত বৃটিছে প্ৰথম অসমত খাৰুৱা তেল আৱিষ্কাৰ কৰিছিল।
- ১৮২৫ চনত অসমত প্ৰথম কয়লা খনিৰ আৱিষ্কাৰ হৈছিল।
- ১৮৩৩ চনত অসমত প্ৰথমখন চাহ বাগিচা স্থাপন হৈছিল।
- ১৯৫৮ চনত বৰুৱাবামুণ গাঁৱত চেনি উদ্যোগ স্থাপন হৈছিল।
- ১৯৯৮ চনত নগাঁও জিলাৰ কামপুৰত চেনি উদ্যোগ স্থাপন হৈছিল।



লোৰ আকৰ

এখন দেশত মজুত থকা কেঁচামালৰ ওপৰত ভিত্তি কৰিয়েই কিছুমান উদ্যোগ গঢ়ি উঠে। সেয়েহে প্ৰাকৃতিক সম্পদত চহকী দেশ এখনত ঔদ্যোগীকৰণ কৰা সহজ। কেতিয়াবা প্ৰাকৃতিক সম্পদ মজুত থাকিলেও কোনো এখন ঠাইত উদ্যোগ গঢ়ি উঠা সম্ভৱ নহ'বও পাৰে যদিহে উপযুক্ত মূলধন, উন্নত যন্ত্ৰপাতি, দক্ষ শ্ৰমিক, উন্নত যাতায়াত ব্যৱস্থা আদি নাথাকে। কাৰণ উদ্যোগ গঢ়ি উঠিবলৈ এই আটাইবোৰ উপাদানৰ সমানে প্ৰয়োজন। আনহাতে কিছুমান দেশত কম পৰিমাণে কেঁচামাল থাকিলেও সেইবোৰ দেশত ঔদ্যোগীকৰণ সম্ভৱ হৈছে। উদাহৰণস্বৰূপে, জাপান এখন সৰু দেশ আৰু ইয়াত উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামালৰ অভাৱ। তথাপিও এই দেশ শিল্প উদ্যোগত আগবঢ়া। ইয়াৰ প্ৰধান কাৰণ হ'ল উপকূল অঞ্চলত জাহাজ বন্দৰবোৰ গঢ়ি উঠাৰ ফলত উদ্যোগসমূহলৈ কেঁচামাল আন দেশৰ পৰা আমদানি কৰা আৰু উৎপাদিত সামগ্ৰী আন দেশলৈ ৰপ্তানি কৰাত যথেষ্ট সুবিধা আছে। পাহাৰ-পৰ্বত আদিৰ ওপৰেদি বৈ অহা নদীবোৰৰ সোঁত বেছি হোৱাৰ বাবে কম খৰচত প্ৰচুৰ পৰিমাণে জলবিদুৎ উৎপন্ন হয়। এইবোৰ কাৰণত জাপানত লোৰ আকৰ কম থকা স্বত্বেও তীখা উৎপাদনত পৃথিৱীৰ ভিতৰত আগশাৰীৰ এখন দেশ হিচাপে পৰিগণিত হৈছে। আনকি জাপানে তীখা অইন দেশলৈ ৰপ্তানি কৰি আৰ্থিকভাৱে লাভবান হৈছে।





উদ্যোগ গঢ়ি উঠাৰ প্ৰধান কাৰকসমূহৰ বিষয়ে জানি লওঁ আহা—




- উদ্যোগ এটা গঢ়ি উঠিবলৈ পৰ্যাপ্ত পৰিমাণৰ কেঁচামালৰ প্ৰয়োজন।
- উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ ভূমি আৰু প্ৰচুৰ মূলধনৰ প্ৰয়োজন।
- কেঁচামালৰ পৰা উৎপাদিত সামগ্ৰী প্ৰস্তুত কৰিবলৈ অধিক সংখ্যক উন্নতমানৰ যন্ত্ৰপাতিৰ প্ৰয়োজন।
- সাধাৰণতে কয়লা (তাপ বিদুৎ) আৰু জলবিদুৎ শক্তি ব্যৱহাৰ কৰি উদ্যোগসমূহত কাম-কাজ কৰা হয়। য'ত যি ধৰণৰ শক্তি পৰ্যাপ্ত পৰিমাণে পোৱা যায় সেই ঠাইত সেই শক্তিৰে উদ্যোগসমূহত যন্ত্ৰপাতি চলোৱা হয়। উদাহৰণস্বৰূপে ক'লকতা আৰু বিহাৰত কয়লা বেছিকৈ পোৱা যায় বাবে এই দুখন ঠাইৰ উদ্যোগসমূহত যন্ত্ৰপাতি চলাবলৈ কয়লা ব্যৱহাৰ কৰা হয়। যিবোৰ ঠাইত কয়লা নাই তাত জলবিদুৎ ব্যৱহাৰ কৰা হয়।
- উদ্যোগত উৎপন্ন হোৱা উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে স্থানীয় বজাৰ থকাৰ লগতে দেশ-বিদেশৰ বজাৰতো চাহিদা থকাৰ প্ৰয়োজন।
- কেঁচামাল আৰু উৎপাদিত সামগ্ৰী কঢ়িওৱা, যন্ত্ৰপাতি চলোৱা আদি বিভিন্ন কাৰ্যত শ্ৰমিকৰ প্ৰয়োজন হয়। কিছুমান উদ্যোগত উৎপাদিত সামগ্ৰী তৈয়াৰ কৰিবলৈ বিশেষ কৌশলৰ প্ৰয়োজন হয়। এনে ক্ষেত্ৰত দক্ষ শ্ৰমিকৰ আৱশ্যক।
- কেঁচামাল আৰু অন্যান্য লাগতিয়াল সামগ্ৰী উদ্যোগলৈ কঢ়িয়াবলৈ আৰু উৎপাদিত সামগ্ৰী বজাৰলৈ নিবলৈ উন্নত যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ আৱশ্যক। উন্নত যাতায়াত ব্যৱস্থাৰ বাবে ক'লকাতা, মুম্বাই, জামছেদপুৰ, কানপুৰ, চেন্নাই আদিত বহুতো উদ্যোগ গঢ়ি উঠিছে।



ভাৰতবৰ্ষৰ কেইটামান উল্লেখযোগ্য উদ্যোগৰ বিষয়ে জানি লওঁ আহা—

**চেনি উদ্যোগ—**





চেনি উদ্যোগবোৰ কুঁহিয়াৰ উৎপন্ন হোৱা ঠাইবোৰৰ দাঁতিতে গঢ়ি উঠিছে। কাৰণ ঠাইসমূহৰ পথাৰবোৰৰ পৰা কেঁচামাল উদ্যোগসমূহলৈ শীঘ্ৰে অনাৰ সুবিধা হয়। এই শিল্পৰ বাবে উন্নত যন্ত্ৰপাতি আৰু দক্ষ শ্ৰমিকৰ আৱশ্যক।

ভাৰতত ২০০ ৰো অধিক চেনি উদ্যোগ আছে। উত্তৰ ভাৰতৰ পৰা দেশৰ প্ৰায় ৬০ শতাংশ চেনি উৎপন্ন হয়। আনহাতে দক্ষিণ ভাৰতৰ মাটি কুঁহিয়াৰ খেতিৰ বাবে অধিক উপযোগী হোৱাৰ বাবে নতুনকৈ চেনি উদ্যোগবোৰ ইয়াত স্থাপন কৰা হৈছে। বিহাৰ, উত্তৰ প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তামিলনাড়ু, মহাৰাষ্ট্ৰ, কৰ্ণাটক আদি ৰাজ্যত চেনি উৎপাদন কৰা হয়। আমাৰ দেশত উৎপন্ন হোৱা বেছিভাগ চেনিয়েই স্বদেশত ব্যৱহাৰ কৰা হয়। সেইবাবে অতি কম পৰিমাণৰ চেনিহে বিদেশলৈ ৰপ্তানি কৰা হয়।

**কাগজ উদ্যোগ—**





কাগজ উদ্যোগৰ প্ৰধান কেঁচামাল হ'ল বাঁহ। বৰ্তমান কাগজৰ ব্যৱহাৰ পৃথিৱীত বাঢ়ি অহাত আজিকালি সৰল, দেৱদাৰু আদি কোমল কাঠৰ মণ্ডৰ পৰাও কাগজ তৈয়াৰ কৰা হয়। ইয়াৰ উপৰি ঘাঁহ, পুৰণি কপাহ, মৰাপাটৰ আৱৰ্জনা আদিৰ পৰাও কাগজ তৈয়াৰ কৰা হয়। তুলনামূলকভাৱে আন দেশৰ তুলনাত ভাৰতত কাগজ নিৰ্মাণ উদ্যোগ অতি কম। ইয়াত প্ৰায় ৩২ টা কাগজ উদ্যোগ আছে আৰু ইয়াৰ বেছিভাগেই ক'লকাতা আৰু মুম্বাইৰ ওচৰত অৱস্থিত।

➤ তোমাৰ কিতাপৰ কাগজবোৰ তৈয়াৰ কৰিবলৈ কি কি কেঁচামাল ব্যৱহাৰ কৰা হৈছে লিখা।

**ৰেচম উদ্যোগ—**



নুনি গছৰ পাত পাটপলুৰ খাদ্য। নুনি গছৰ খেতি কৰি পাটপলু পোহা হয়। পলুৰে সজা লেটাৰ পৰা ৰেচম সূতা উলিয়াই পাটৰ কাপোৰ তৈয়াৰ কৰা হয়। এইদৰে সূতা তৈয়াৰ কৰা পদ্ধতি বৰ জটিল। ইয়াৰ বাবে কঠোৰ শ্ৰম আৰু কৌশলৰ দৰকাৰ। সেইবাবে এই শিল্পই প্ৰথমে কুটীৰ শিল্প ৰূপেহে গঢ় লৈ উঠে। আজিকালি মেচিনতো পাটৰ কাপোৰ তৈয়াৰ কৰা হয়।

ৰেচম কাপোৰ উৎপাদনত পৃথিৱীৰ ভিতৰতে দ্বিতীয়খন দেশ হিচাপে ভাৰতে এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। কেৱল কৰ্ণাটক ৰাজ্যতে দেশৰ মুঠ উৎপাদনৰ আধা অংশ ৰেচমী কাপোৰ উৎপন্ন হয়। কৰ্ণাটক ৰাজ্যৰ বাংগালুৰুৰ বাহিৰে পশ্চিমবংগৰ মুৰ্চিদাবাদ আৰু বিষ্ণুপুৰ, তামিলনাড়ুৰ কাঞ্চিপুৰম, কাশ্মীৰৰ শ্ৰীনগৰ, উত্তৰ প্ৰদেশৰ বেনাৰস, অসমৰ শুৱালকুছি, ঢকুৱাখনা, ৰহা, পলাশবাৰী, গুজৰাটৰ গান্ধীনগৰ আদি ৰেচম শিল্পৰ সুপ্ৰসিদ্ধ কেন্দ্ৰ।





এৰা গছ



**এৰা গছৰ পাত এৰী পলুৰ খাদ্য আৰু চোম গছৰ পাত মুগা পলুৰ খাদ্য। কেৱল অসমতেই এৰী আৰু মুগাৰ কাপোৰ উৎপন্ন হয়।**





চোম গছ

### কপাহী বস্ত্ৰ উদ্যোগ—



কপাহী বস্ত্ৰ তৈয়াৰ কৰাত প্ৰাচীনকালৰে পৰা ভাৰতৰ সুনাম আছে। ভাৰতত এই শিল্প প্ৰথমে হস্ত শিল্পৰ স্তৰত আছিল। বৰ্তমান কপাহী বস্ত্ৰ উৎপাদনত ভাৰত পৃথিৱীৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰিছে। মুম্বাই ভাৰতৰ আধুনিক বস্ত্ৰ উদ্যোগৰ প্ৰথম কেন্দ্ৰ। ইয়াত যন্ত্ৰপাতি, কয়লা, উৎকৃষ্ট কপাহ আৰু অন্যান্য লাগতিয়াল সামগ্ৰী আমদানিৰ বাবে বৃহৎ বন্দৰৰ সুব্যৱস্থা আছে। তাৰ উপৰি কপাহ উৎপন্ন হোৱা অঞ্চলৰ লগত উন্নত যোগাযোগ ব্যৱস্থা, দক্ষ শ্ৰমিক, বৃহৎ স্থানীয় বজাৰ আৰু জলবিদ্যুৎ সৰবৰাহৰ সা-সুবিধাসমূহ থকাৰ বাবে মুম্বাইত এই উদ্যোগ গঢ়ি উঠাত সহায়ক হৈছে।



মুম্বাইৰ পিছত আহমেদাবাদ ভাৰতৰ এটা উল্লেখযোগ্য কপাহী বস্ত্ৰ উৎপাদন কৰা কেন্দ্ৰ। এই কেন্দ্ৰ কপাহ উৎপন্ন হোৱা অঞ্চলবোৰৰ মাজভাগত অৱস্থিত। পৰ্যাপ্ত মূলধন, উন্নত যোগাযোগ ব্যৱস্থা, দক্ষ শ্ৰমিক আদিয়ে এই কেন্দ্ৰত কপাহী বস্ত্ৰ উদ্যোগ গঢ়ি উঠাত সহায় কৰিছে।

মহাৰাষ্ট্ৰ, গুজৰাট, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আদি ৰাজ্যত বহুতো কপাহী বস্ত্ৰ উদ্যোগ আছে।

➤ তোমালোকে পিন্ধা কাপোৰবোৰ তৈয়াৰ কৰিবলৈ কি কি কেঁচামাল ব্যৱহাৰ কৰা হয় লিখা।



### লো-তীখা উদ্যোগ —



লো-তীখা উদ্যোগ ভাৰতৰ অন্যতম বৃহৎ উদ্যোগ। ভাৰতত পুৰণিকালৰেপৰা তীখা তৈয়াৰ কৰা উদ্যোগ চলি আহিছে। এই উদ্যোগৰ বাবে কেঁচামাল হিচাপে আকৰিক লো, কয়লা আৰু চূণশিলৰ আৱশ্যক। বেছি ওজন আৰু আয়তনযুক্ত কেঁচামালৰ প্ৰয়োজন হয় বাবেই এই উদ্যোগ সাধাৰণতে লোৰ খনিৰ ওচৰত গঢ়ি উঠে। তদুপৰি এই উদ্যোগৰ উৎপাদিত গধুৰ সামগ্ৰী পৰিবহণৰ বাবে সুচল যাতায়াত ব্যৱস্থাৰ প্ৰয়োজন। এই উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন যন্ত্ৰপাতি আৰু সা-সঁজুলি নিৰ্মাণ কৰা উদ্যোগসমূহো গঢ় লৈ উঠিছে। লো-তীখা উদ্যোগৰ বাবে প্ৰধানকৈ বৃহৎ পৰিমাণৰ মূলধন, উন্নত পৰিবহণ ব্যৱস্থা, প্ৰচুৰ ইন্ধন আৰু কেঁচামালৰ প্ৰয়োজন। ছোটনাগপুৰ মালভূমিৰ অন্তৰ্গত পশ্চিমবংগ, ঝাৰখণ্ড, বিহাৰ, উৰিষ্যা আৰু ছত্তিশগড়ৰ বৃহৎ অঞ্চলটো লো-তীখা উদ্যোগৰ কেন্দ্ৰস্থল হৈ পৰিছে।

ওপৰত উল্লেখ কৰা উদ্যোগবোৰৰ বাহিৰেও আমাৰ দেশত আৰু বহুতো বৃহৎ উদ্যোগ আছে। এখন দেশৰ অৰ্থনৈতিক উন্নতিত উদ্যোগমূহে যথেষ্ট অৰিহণা যোগায়। উদ্যোগ এটা গঢ় লৈ উঠাৰ লগে লগে সেই অঞ্চলৰ যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি হয় আৰু উৎপাদিত সামগ্ৰীবোৰ বেচা-কিনা কৰিবৰ বাবে স্থানীয় বজাৰ গঢ়ি উঠে। ইয়াৰ উপৰি স্থানীয়লোকে এই উদ্যোগসমূহত কৰ্মসংস্থান পায়।

**ক্ৰিয়াকলাপ**

আৰ্হিত দেখুওৱা ধৰণে তলত দিয়া খালী ঠাইবোৰ পূৰণ কৰা—

| কেঁচা সামগ্ৰী | উদ্যোগ | উৎপাদিত সামগ্ৰী |
|---|---|---|
| কুঁহিয়াৰ | চেনি উদ্যোগ | চেনি |
| (ক) বাঁহ, কোমল কাঠৰ মণ্ড | কাগজ উদ্যোগ | ........................ |
| (খ) .............. | বস্ত্ৰ উদ্যোগ | কাপোৰ |
| (গ) খাৰুৱা তেল | শক্তি বা তেল উদ্যোগ | ........................ |
| (ঘ) ................. | বিলাতী মাটি উদ্যোগ | বিলাতী মাটি |
| (ঙ) .................. | প্লাইউড উদ্যোগ | প্লাইউড |
| (চ) চাহ গছৰ পাত | ........................ | চাহপাত |
| (ছ) .................... | লো-তীখা উদ্যোগ | তীখা |

## অনুশীলনী

১। চমুকৈ লিখা —

(ক) কেঁচামাল বুলিলে কি বুজা?

(খ) উদ্যোগ গঢ়ি উঠিবলৈ উন্নত যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ কিয় প্ৰয়োজন?

(গ) উদ্যোগ গঢ়ি উঠিবলৈ কি কি কাৰকৰ প্ৰয়োজন লিখা।

(ঘ) লো-তীখা উদ্যোগৰ বাবে কি কি কেঁচামালৰ প্ৰয়োজন?

(ঙ) পাটৰ কাপোৰ কেনেদৰে তৈয়াৰ কৰা হয়?

২। খালী ঠাই পূৰ কৰা—

(ক) মুম্বাই ভাৰতৰ আধুনিক __________ উদ্যোগৰ প্ৰথম কেন্দ্ৰ।

(খ) কাগজ উদ্যোগৰ প্ৰধান কেঁচামাল হ'ল __________ ।

(গ) ভাৰতৰ সকলোতকৈ বেছি ৰেচমী কাপোৰ __________ ৰাজ্যত উৎপন্ন কৰা হয়।

(ঘ) চেনি উদ্যোগৰ প্ৰধান কেঁচামাল হ'ল __________ ।

৩। তলত দিয়া বাক্য কেইটাৰ পৰা অশুদ্ধবোৰ বাচি উলিয়াই শুদ্ধকৈ লিখা —

(ক) সকলো ঠাইতে এৰী আৰু মুগা কপোৰ উৎপন্ন হয়।

(খ) ঘাঁহ আৰু কোমল কাঠৰ মণ্ডৰ পৰাও কাগজ উৎপন্ন কৰা হয়।

(গ) উদ্যোগত উৎপন্ন হোৱা উৎপাদিত সামগ্ৰীৰ চাহিদা দেশ-বিদেশৰ বজাৰত থাকিব লাগিব।

(ঘ) মুম্বাইৰ পিছত গুজৰাট ভাৰতৰ এটা উল্লেখযোগ্য কপাহী বস্ত্ৰ উৎপাদন কেন্দ্ৰ।

৪। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| তেল শোধনাগাৰ | কঁঠালগুৰি |
| গেছ প্লাণ্ট | নামৰূপ |
| কাগজ উদ্যোগ | শিলঘাট |
| মৰাপাট উদ্যোগ | নুমলীগড় |
| সাৰ উদ্যোগ | জাগীৰোড |

৫। পৰ্যাপ্ত পৰিমাণে কেঁচামাল মজুত নাথাকিলেও যে কোনো এখন ঠাইত বৃহৎ উদ্যোগ গঢ়ি উঠিব পাৰে সেই বিষয়ে এখন দেশৰ উদাহৰণ দি বুজাই লিখা।

৬। অসমত কিয় বেছিকৈ বৃহৎ উদ্যোগ গঢ়ি উঠা নাই কাৰণসমূহ বুজাই লিখা।

৭। উদ্যোগ বুলিলে কি বুজা? ভাৰতৰ চাৰিটা বৃহৎ উদ্যোগৰ নাম লিখা।

৮। চমুটোকা লিখা—

চেনি উদ্যোগ, কাগজ উদ্যোগ, কপাহী বস্ত্ৰ উদ্যোগ, ৰেচম উদ্যোগ, লো-তীখা উদ্যোগ।